# NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-01-2025
**Time :** 13-40 Hrs

***Assamese Midday Bulletin***

::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৫ ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশ গ্ৰহণ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আমেৰিকাৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব।

৩। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত কাইলৈ বিশ্বাস আৰু মানৱতাৰ মহামেলা মহাকুম্ভ অনুষ্ঠিত হ'ব।

৪। লছ এঞ্জেলছত লগা বন জুইত ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো লোক সন্ধানহীন হৈ আছে। *আৰু*

৫। মহিলা হকী ইণ্ডিয়া লীগত এছ জি পাইপাৰ্ছে আজি সন্ধিয়া ৰাঁচীত ওড়িশা ৱাৰিৱৰ্ছৰ বিৰুদ্ধে খেলিব।

oooooo

ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত হোৱা বিকশিত ভাৰত যুৱ নেতা আলোচনা,২০২৫ ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিছে। শ্ৰী মোদীয়ে অনুষ্ঠানত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰি যুৱ নেতাসকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে প্ৰধানমন্ত্ৰীৰ আগত বিকশিত ভাৰতৰ বাবে তেওঁলোকৰ দৃষ্টিভংগীৰ উপস্থাপন প্ৰদৰ্শন কৰিছে। এই উপস্থাপনসমূহে ভাৰতৰ কিছুমান অতি জৰুৰী প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ উদ্ভাৱনীমূলক ধাৰণা আৰু সমাধানসমূহ প্ৰতিফলিত কৰে। ৰাষ্ট্ৰৰ ভৱিষ্যত নেতাসকলক অনুপ্ৰাণিত, প্ৰেৰণা আৰু সবলীকৰণৰ বাবে প্ৰস্তুত কৰা একাধিক কাৰ্যসূচীত শ্ৰী মোদীয়ে অংশগ্ৰহণ কৰিছে ।

শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা তিনিদিনীয়া অনুষ্ঠানটোৱে যুৱক-যুৱতীসকলৰ বাবে বিকশিত ভাৰতৰ বাবে অভিনৱ সমাধান দাঙি ধৰাৰ এক অনন্য মঞ্চ প্ৰদান কৰিছে। এই অনুষ্ঠানৰ সময়ত প্ৰধানমন্ত্ৰী মোডীয়েৰ দেশৰ বিভিন্ন প্ৰান্তৰ তিনি হাজাৰ প্ৰাণৱন্ত যুৱ নেতাৰ সৈতে মিলিত হব। প্ৰধানমন্ত্ৰীয়েও যুৱ নেতাসকলৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিব, যাৰ ফলত তেওঁলোকে তেওঁলোকৰ ধাৰণা, অভিজ্ঞতা, আকাংক্ষাসমূহ পোনপটীয়াকৈ প্ৰধানমন্ত্ৰী সৈতে ভাগ-বতৰা কৰাৰ সুযোগ লাভ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আলোচনাত অংশগ্ৰহণকাৰীসকলে দহটা বিষয়ত লিখা শ্ৰেষ্ঠ ৰচনাৰ সংকলনও

তেওঁ মুকলি কৰাৰ কথা। এই বিষয়বস্তুসমূহে প্ৰযুক্তি, বহনক্ষমতা, মহিলা সবলীকৰণ, উৎপাদন, আৰু কৃষি আদি বিভিন্ন ক্ষেত্ৰ সামৰি লৈছে।

০০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। এগৰাকী মহান আধ্যাত্মিক নেতা, দাৰ্শনিক আৰু চিন্তানায়ক স্বামী বিবেকানন্দৰ স্মৃতিত প্ৰতিবছৰে ১২ জানুৱাৰীত এই দিৱস পালন কৰি অহা হৈছে। তেওঁৰ প্ৰেৰণাদায়ক জীৱন আৰু শক্তিশালী বাৰ্তাসমূহে যুৱক - যুৱতীসকলৰ নিজৰ সপোন প্ৰতিপাল কৰাত উৎসাহ যোগাই আহিছে। স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে যুৱ প্ৰজন্মৰ প্ৰেৰণাৰ উৎস স্বামী বিবেকানন্দই যুৱক-যুৱতীসকলক জীৱনৰ উদ্দেশ্য আৰু পেচাক উজ্জীৱিত কৰি আহিছে। তেওঁ কয়, যে স্বামী বিবেকানন্দৰ উন্নত তথা শক্তিশালী ভাৰত গঢ়াৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত ডোনাল্ড ট্ৰাম্পৰ শপতগ্ৰহণ অনুষ্ঠানত ভাৰত চৰকাৰক প্ৰতিনিধিত্ব কৰিব। অহা ২০ জানুৱাৰীত ডোনাল্ড ট্ৰাম্পে আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিব। এই ভ্ৰমণকালত ড০ জয়শংকৰে ট্ৰাম্প প্ৰশাসনৰ প্ৰতিনিধি আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

আমেৰিকাৰ বিদায়ী ৰাষ্ট্ৰপতি জো বাইদেনে কালি পোপ ফ্ৰান্সিছক টেলিফোনযোগে ৰাষ্ট্ৰপতিৰ স্বাধীনতা পদক (Presidencial medal of Freedom) প্ৰদান কৰি শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰপতি বাইদেনে বিশ্বজুৰি শান্তি গঢ়ি তোলা আৰু মানুহৰ দুখ কষ্ট লাঘৱ কৰাত পোপৰ প্ৰচেষ্টাৰ দিশতো আলোকপাত কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি বাইদেনে কয়, যে পোপ ফ্ৰান্সিছক নম্ৰতা আৰু দয়ালু স্বভাৱ প্ৰকাশৰ উৰ্ধত। পোপ সন্দৰ্ভত দিয়া বিবৃতিত বাইদেনে সমগ্ৰ আৰ্জেণ্টিনাত ধৰ্মীয় নেতাগৰাকীয়ে কণ্ঠহীন আৰু আৰ্তজনৰ সেৱাত জীৱন আগবঢ়োৱা কাৰ্যৰ প্ৰশংসা কৰে। উল্লেখযোগ্য যে, বাইদেনৰ ৪ বছৰীয়া কাৰ্যকালত প্ৰথমবাৰৰ বাবে এই পদক পোপলৈ আগবঢ়াইছে বুলি হোৱাইট হাউচ কৰ্তৃপক্ষই জানিবলৈ দিয়ে। এসপ্তাহ পূৰ্বে বাইদেনে বিভিন্ন ক্ষেত্ৰত ১৯ জন লোকক প্ৰেছিডেন্সিল মেডেল অৱ ফ্ৰিডম আগবঢ়াইছিল।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত কাইলৈ বিশ্বাস আৰু মানৱতাৰ মহামেলা মহাকুম্ভ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ অৰ্থে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহাকুম্ভত অংশগ্ৰহণ কৰিবলৈ ইতিমধ্যে মহানগৰীখনলৈ বৃহৎ সংখ্যক লোকৰ আগমন ঘটিছে। সাংস্কৃতিক মন্ত্ৰালয়ে দেশৰ চহকী আৰু প্ৰাণবন্ত সংস্কৃতিক তুলি ধৰাৰ বাবে প্ৰয়াগৰাজত কলাগ্ৰামৰ আয়োজন কৰিছে। আজি সন্ধিয়া কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে এই কলাগ্ৰাম উদ্বোধন কৰিব। এই কলাগ্ৰাম হৈছে কলা সংস্কৃতি আৰু ঐতিহ্যৰ অনন্য নিদৰ্শন। নাগ বাসুকি অঞ্চলৰ ১০ একৰ মাটিত এই কলাগ্ৰাম সৃষ্টি কৰা হৈছে।

০০০০০০

চত্তিশগড়ত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩ জন মাওবাদী নিহত হয়। বীজাপুৰ জিলাৰ ৰাষ্ট্ৰীয় উদ্যানত চলোৱা নিৰাপত্তা বাহিনীৰ এটা যৌথ অভিযানৰ সময়ত নিৰাপত্তাৰক্ষীসকল অঞ্চলটোত মাওবাদীৰ উপস্থিতিৰ বিষয়ে অৱগত হয়। এই অভিযানত  পুৱাৰ ভাগতে সূত্ৰপাত হোৱা সংঘৰ্ষত নিৰাপত্তাৰক্ষীৰ বন্দুকৰ গুলীত ৩ জন মাওবাদী নিহত হয়। নিৰাপত্তা বাহিনীৰ লোকে নিহত মাওবাদীসকলৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ শস্ত্ৰ উদ্ধাৰ কৰে। অঞ্চলটোত মাওবাদীৰ বিৰুদ্ধে এই অভিযান অব্যহত আছে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছত লগা বন জুইত ১৬ জন লোকৰ মৃত্যু হৈছে আৰু আন কেইবাজনো লোক সন্ধানহীন হৈ আছে। অঞ্চলটোৰ ইটন, HURST, কেনেথ আৰু পালিছেডছৰ প্ৰায় ৩৮ হাজাৰ ২৭৬ একৰলৈ এই জুই বিয়পি পৰিছে। অৱশ্যে আন দুটা স্থানত লগা বনজুই নিয়ন্ত্ৰণ কৰা হৈছে। ১২ হাজাৰতকৈ অধিক বাসগৃহ আৰু আন আন সম্পত্তি এই জুইত জাহ গৈছে। পূব দিশলৈ আগবঢ়া পালিছেডছৰ বনজুইৰে আন অঞ্চললৈ ভাবুকি কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত প্ৰায় এক লাখ বাসিন্দাক নিৰাপদ ঠাইলৈ স্থানান্তৰৰ কথা ভবা হৈছে। ইপিনে, অঞ্চলটোত প্ৰচণ্ড বতাহৰ পূৰ্বাভাসে এই জুই আন বহু অঞ্চললৈ বিয়পি পৰাৰ আশংকা কৰা হৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ লোকসকলে এই ভয়ানক অগ্নিকাণ্ড নিৰ্বাপিত কৰাৰ বাবে যুদ্ধ সদৃশ তৎপৰতা চলাই আছে।

০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই স্পাডেক্স কাৰ্যসূচীৰ অধীনত ডকিং কৰাৰ পূৰ্বে প্ৰেৰণ কৰা উপগ্ৰহ দুটা সুস্থিৰ কৰাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ই চেজাৰ আৰু টাৰ্গেট উপগ্ৰহক ৩ মিটাৰ দূৰত্বত আনি পুনৰ নিৰাপদ দূৰত্বলৈ লৈ যোৱাত সফল হৈছে। ইছৰোৱে তথ্য বিশ্লেষণ কৰিহে ডকিং প্ৰক্ৰিয়া সম্পন্ন কৰা হব বুলি সামাজিক মাধ্যম যোগে ঘোষণা কৰিছে।

আমেৰিকা, ৰাছিয়া আৰু চীনৰ পাছত এই কৃতিত্ব অৰ্জন কৰা চতুৰ্থখন দেশ হিচাপে ভাৰত পৰিগণিত হব।ইছৰোৰ দ্বাৰা বিকশিত থলুৱা ভাৰতীয় ডকিং ব্যৱস্থা সফল হ'লে ইয়াৰ প্ৰস্তাৱিত ভাৰতীয় অন্তৰীক্ষ ষ্টেচনত কাম কৰিবলৈ ইছৰোক অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে

০০০০০০

ভাৰতে চৰকাৰী পৰিসংখ্যাৰ বাবে ৰাষ্ট্ৰ সংঘৰ বৃহৎ ডাটা আৰু ডাটা বিজ্ঞানৰ বিশেষজ্ঞ সমিটীত যোগদান কৰিছে। সমিটীৰ অংশ হিচাপে ভাৰতে চৰকাৰী পৰিসংখ্যাগত উদ্দেশ্যৰ বাবে বৃহৎ ডাটা আৰু ডাটা বিজ্ঞানক ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিশ্ব মানদণ্ড আৰু পদ্ধতিসমূহ গঢ় দিয়াত অৰিহণা যোগাব। এক বিবৃতিত পৰিসংখ্যা মন্ত্ৰালয়ে কয় যে বিশেষজ্ঞ সমিতিত ভাৰতৰ অন্তৰ্ভুক্তিয়ে দেশৰ পৰিসংখ্যা পৰিৱেশ তন্ত্ৰৰ বাবে এক উল্লেখযোগ্য অগ্ৰগতি হিছাপে পৰিগণিত হৈছে। মন্ত্ৰালয়ে উল্লেখ কৰে যে বিশেষজ্ঞ

সমিতিৰ সৈতে দেশৰ সক্ৰিয় অংশগ্ৰহণে ডাটা উদ্ভাৱনী পৰীক্ষাগাৰৰ প্ৰতিষ্ঠাপক আৰু বিকল্প তথ্যৰ উৎসৰ অন্বেষণকে ধৰি ইয়াৰ অগ্ৰণী পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰিব।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পৰৱৰ্তী দুই তিনি দিনলৈ ঘন কুঁৱলী পৰিব পাৰে বুলি আগলী বতৰা দিছে। বিভাগটোৱে লগতে আজি তামিলনাডু, পডুচেৰী আৰু কাৰাইকলত বিজুলী-ঢেৰেকনীৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

মহিলা হকী ইণ্ডিয়া লীগত এছ জি পাইপাৰ্ছে আজি সন্ধিয়া ৰাঁচীত ওড়িশা ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে খেলিব। খেলখন নিশা ৮ বাজি ৪০ মিনিটত অনুষ্ঠিত হোৱাৰ কথা। মহিলা হকী ইণ্ডিয়া লীগৰ প্ৰথম সংস্কৰণত ৪ টা দলে খেলিব। এই দলকেইটা হৈছে দেলহী এছ জি পাইপাৰ্ছ, ওড়িশা ৱাৰিয়ৰ্ছ, শ্ৰাচি ৰাড় বেংগল টাইগাৰ্ছ আৰু চুৰমা হকী ক্লাব। ১৫ দিনীয়া এই লীগ পৰ্যায়ৰ প্ৰতিযোগিতা ২৪ জানুৱাৰীলৈ চলিব। ২৬ জানুৱাৰীত ফাইনেল প্ৰতিযোগিতা অনুষ্ঠিত হব। ইয়াৰে এঘাৰখন খেল ৰাঁচীত আৰু দুখন খেল ৰুৰকেলাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

বছৰৰ প্ৰথম গ্ৰেণ্ড শ্লেম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অ'পেন আজি মেলবৰ্নত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত ভাৰতৰ  ৰোহন বোপন্না, যুকি ভাম্ব্ৰি, শ্ৰীৰাম বালাজী আৰু ৰিত্বিক বোলিপল্লীয়ে ভাগ ল'ব। ২৬ জানুৱাৰীত প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০০

ঃঃ সমাপ্ত ঃঃ